# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-02-2025
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

---

প্ৰায় ৩ দশকৰ পাছত দিল্লীত বিজেপি, চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ হৈছে। আজি বিধানসভা নিৰ্বাচনৰ ভোটগণনাত দিল্লীত ১০ বছৰ ধৰি ক্ষমতাত থকা আম আদমী পাৰ্টীক পৰাস্ত কৰি বিজেপিয়ে চৰকাৰ গঠন কৰাটো প্ৰায় নিশ্চিত হৈছে।

আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ভোটগণনাত সৰ্বমুঠ ৭০ খন আসনৰ ভিতৰত বিজেপি ৫১খন আসনত আগবাঢ়ি থকাৰ বিপৰীতে আম আদমী পাৰ্টী ২২ খন আসনতহে আগবাঢ়ি আছে। বিজেপিয়ে এতিয়ালৈকে ৩৫ খন আসনত জয় সাব্যস্ত কৰিছে আৰু আম আদমী পাৰ্টীয়ে ১৬ খন আসন দখল কৰিবলৈ সমৰ্থ হৈছে। কংগ্ৰেছে তৃতীয়বাৰৰ কাৰণে এখনো আসন দখল নকৰাকৈ শোচনীয় পৰাজয়ৰ সন্মুখীন হৈছে।

নতুন দিল্লী সমষ্টিত আপৰ প্ৰধান নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু জংপুৰা সমষ্টিত আপৰ নেতা তথা প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছদিয়া পৰাজিত হৈছে। অৰবিন্দ কেজৰিৱাল নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ পৰভেছ বাৰ্মাৰ বিৰুদ্ধে পৰাজিত হয়। বিজেপিৰ তৰৱিন্দৰ সিং মাৰোৱাহে জংপুৰা সমষ্টিত, কপিল মিশ্ৰ কৰৱালনগৰ সমষ্টিত, মনজিনদৰ সিং চিৰ্চা ৰজৌৰী গাৰ্দেন সমষ্টি, অৰবিন্দৰ সিং লাভলী গান্ধী নগৰ সমষ্টি, শিখা ৰয় গ্ৰেটাৰ কৈলাশত আৰু হৰিশ খুৰানাই মতি নগৰ সমষ্টিৰ পৰা তাৎপৰ্যপূৰ্ণ জয় সাব্যস্ত কৰিছে। একেদৰে আপৰ সোম দত্তই চদৰ বজাৰ, বীৰেন্দ্ৰৰ সিং কৰিয়া দেলহী চাউনীৰ পৰা, কুলদ্বীপ কুমাৰ কন্দ্লি সমষ্টি, জাৰ্নেল সিং তিলকনগৰ সমষ্টি, পুনৰদ্বীপ সিং চাওনী চান্দনী চ'ক আৰু গোপাল ৰয়ে বাবৰপুৰ সমষ্টিৰ পৰা তাৎপৰ্যপূৰ্ণ বিজয় সাব্যস্ত কৰিছে।

দিল্লী বিধানসভা নিৰ্বাচনৰ লগতে উত্তৰ প্ৰদেশ আৰু তামিলনাডুৰ এটাকৈ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাও চলি আছে। উত্তৰ প্ৰদেশৰ মিল্কীপুৰ বিধানসভা সমষ্টিত বিজেপিৰ চন্দ্ৰভানু পাচোৱানে জয় সাব্যস্ত কৰিছে। তামিলনাডুৰ এৰ'ডে পূব বিধানসভা সমষ্টিত ডি এম কেৰ চন্দ্ৰিকা কুমাৰ ভি চি নিকটতম প্ৰতিদ্বন্দ্বীতকৈ প্ৰায় ৬০ হাজাৰ ভোটত আগবাঢ়ি আছে।

০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে আজি কোকৰাঝাৰত থকা বড়োলেণ্ড প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাক সামৰি এখন কৰ্মশালা অনুষ্ঠিত হয়। কোকৰাঝাৰৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু কোকৰাঝাৰৰ জিলা আয়ুক্তই এই কৰ্মশালাত অংশগ্ৰহণ কৰে।

০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত চলি থকা গুৱাহাটী এছিয়ান চলচিত্ৰ মহোৎসৱৰ আজি দ্বিতীয় দিনা A NEW LANDSCAPE OF INDIAN CONTENPORARY INDIE CINEMA

: A CRICTIC OF NEW FILM MAKERS & NEW CHALLANGES শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা চক্ৰত পৰিচালক আৰফাজ আয়ুব, শ্ৰুতিস্মৃতি চাংকাকতি, অভিলাস শৰ্মাৰ লগতে ভালেসংখ্যক চলচ্চিত্ৰপ্ৰেমী উপস্থিত থাকে। আলোচনা চক্ৰৰ আঁত ধৰে চলচ্চিত্ৰ সমালোচক প্ৰাঞ্জল বৰাই।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, এই চলচ্চিত্ৰ মহোৎসৱত দেশী-বিদেশী ভালেকেইখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত আজি মৃদুল গুপ্তা পৰিচালিত কাৰ্বি ছবি **মিৰবিন** আৰু ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত চীনৰ ছবি **দ্যা গ্ৰেট ফুকেট** প্ৰদৰ্শিত হয়। দিনৰ ভাগত শ্ৰুতিস্মৃতি চাংকাকতি পৰিচালিত **বিফ'ৰ স্প্ৰীঙৰ** লগতে **ইন দ্যা নেইম অৱ ফায়া**ৰ নামৰ অভিলাস শৰ্মা পৰিচালিত চলচিত্ৰখনো মহোৎসৱত প্ৰদৰ্শিত হয়।

তিনিদিনীয়া এই চলচ্চিত্ৰ মহোৎসৱত ইৰাণ, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত ছবি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন ছবি প্ৰদৰ্শনৰো দিহা কৰা হৈছে।

০০০০০

খেল মহাৰণ দ্বিতীয় পৰ্যায়ত শোণিতপুৰ জিলা পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আজি তেজপুৰ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আৰম্ভ হয়। তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই এই প্ৰতিযোগিতাৰ আনুষ্ঠানিক উদ্বোধন কৰে। এই অনুষ্ঠানত জিলা আয়ুক্ত অংকুৰ ভৰালীও উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে ভাষণ প্ৰসংগত কয়, যে খেল মহাৰণৰ মঞ্চৰ জৰিয়তে অসম চৰকাৰে স্থানীয় প্ৰতিভাসম্পন্ন খেলুৱৈসকলক সুযোগ দিব বিচাৰিছে। তেওঁ গাঁও পঞ্চায়ত আৰু বিধানসভা সমষ্টি স্তৰৰ খেলসমূহ সফলভাৱে সম্পন্ন হোৱা বাবে আয়োজকসকলক প্ৰশংসা কৰে। উদ্বোধনী অনুষ্ঠানত অসমৰ প্ৰথম মহিলা নাৱিক তথা ৰিঙছাৰ্ফিং আৰু কাইট ব'ৰ্ডিঙৰ পদকবিজয়ী নিশামণি বৰা আৰু আন্তঃৰাষ্ট্ৰীয় লনবল খেলুৱৈ তানিয়া চৌধুৰী উপস্থিত থাকে। আজি আৰম্ভ হোৱা এই প্ৰতিযোগিতা অহা ১০ ফেব্ৰুৱাৰীত সামৰণি পৰিব। এইবাৰৰ প্ৰতিযোগিতাত জিলাখনৰ প্ৰায় এহেজাৰ ২০০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণৰ সম্ভাৱনা আছে।

০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত লন বল পেয়াৰ শিতানত অসমৰ নয়নমণি শইকীয়া আৰু বনগীতা হাজৰিকাৰ দলে স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। এই জয়ৰ সৈতে এইবাৰৰ ক্ৰীড়া সমাৰোহত অসমে এতিয়ালৈকে তিনিটা সোণৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। ইয়াৰ লগতে পুৰুষৰ এশ মিটাৰ ফাইনেলত অম্লান বৰগোহাইয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। একেদৰে টাইকোৱাণ্ডোৰ গ্ৰুপ পমচি শিতানত অসমৰ মৰ্ণিতা আচাৰ্য, বেনলা কেম্পৰায় আৰু পঞ্চমী দাসৰ দলটোৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০০

সমাপ্ত